Total number of printed pages – 4

63 (FY)SEM–2/AEC2/ASMAEC1022

# 2025

## ASSAMESE

(AEC)

Paper : ASMAEC1022

***( Style of Assamese Language )***

*Full Marks : 50*

*Pass Marks : 20*

Time : Two hours

***The figures in the margin indicate full marks for the questions.***

১। তলত দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ

১×৫=৫

(ক) ইংৰাজী 'Style' শব্দটোৰ অসমীয়া প্ৰতিশব্দ কি?

*(i)* গদ্য

*(ii)* পদ্য

*(iii)* শৈলী

*(iv)* শৈলীবিজ্ঞান

(খ) 'যোগাযোগ কলা' নামৰ গ্ৰন্থখনৰ ৰচক কোন?

(i) ডº নীৰাজনা মহন্ত বেজবৰা

(ii) ডº হেমন্ত শৰ্মা

(iii) ভূপেন চক্ৰৱৰ্ত্তী

(iv) ডº অনুৰাধা শৰ্মা

(গ) অতি কম সময়ৰ বিৰতিৰ বাবে কি চিন ব্যৱহাৰ কৰা হয়?

(i) দাৰি (।)

(ii) ছেমিক'লন (;)

(iii) কমা (,)

(iv) ক'লন (:)

(ঘ) 'মাইহাং' শব্দটো কোন ভাষাৰ শব্দ?

(i) আহোম শব্দ

(ii) বাংলা শব্দ

(iii) বড়ো শব্দ

(iv) কাৰ্বি শব্দ



(ঙ) "কবিতা সাংগীতিক চিন্তা"—এই সংজ্ঞাটো কোনে আগবঢ়াইছিল?

(i) জনছন

(ii) ক'লেৰিজ

(iii) ৱৰ্ডছৱৰ্ড

(iv) কাৰ্লাইল

২। চমুকৈ উত্তৰ দিয়া ঃ *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) সুৰ বা কণ্ঠস্বৰৰ কম্পন (Pitch) বুলিলে কি বুজা?

(খ) যোগাযোগৰ প্ৰধান ভাগ *দুটা* কি কি?

(গ) সৰল বাক্য কাক বোলে? *এটি* উদাহৰণ দিয়া।

(ঘ) নাটকীয় পৰিৱেশৰ ভাগ *দুটা* কি কি?

(ঙ) অসমীয়া ভাষাৰ শব্দভাণ্ডাৰত কোনকেইটা অনাৰ্য ভাষাগোষ্ঠীৰ প্ৰভাৱ পৰিছে লিখা।

(চ) কবিতাৰ প্ৰধান ভাগ *দুটা* কি কি?

(ছ) কাৰ্যবিৱৰণী বুলিলে কি বুজা?

৩। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা ঃ *(যিকোনো পাঁচটা)* ৫×৫=২৫

(ক) শৈলী সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(খ) যোগাযোগ প্ৰক্ৰিয়া সফল কৰাৰ *পাঁচটা* চৰ্ত উল্লেখ কৰা।

(গ) উচ্চাৰণৰ স্পষ্টতা আৰু শুদ্ধতা (Articulation and Pronunciation)-ৰ বিষয়ে চমুকৈ লিখা।

(ঘ) অসমীয়া বানান বা আখৰ জোঁটনিৰ প্ৰয়োজনীয়তা সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(ঙ) অসমীয়া ভাষাত বিদেশী ভাষাৰ শব্দৰ প্ৰয়োগ সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(চ) অৰ্থ অনুসৰি বাক্যৰ ভাগ কেইটা আৰু কি কি?

(ছ) নাটকীয় কাহিনীৰ ভাগ কেইটা আৰু কি কি?

(জ) আবেদন পত্ৰ লিখাৰ *পাঁচটা* নিয়ম উল্লেখ কৰা।

৪। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০

(ক) যতি চিহ্ন বুলিলে কি বুজা? বাক্যত যতি চিহ্নৰ ব্যৱহাৰ সম্পৰ্কে আলোচনা কৰা।

(খ) তোমাৰ অঞ্চলৰ পথ মেৰামতিৰ বাবে জিলা উপায়ুক্তলৈ এখন আবেদন পত্ৰ লিখা।

---